**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-05-2025 **Time :** 1205Hrs.

**<u>Assamese Midday Bulletin</u>**

চৰকাৰে সিন্দূৰ অভিযান সন্দৰ্ভত আহ্বান জনোৱা সৰ্বদলীয় বৈঠক সংসদ ভৱনত চলি আছে। বৈঠকত চৰকাৰে ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলৰ এই অভিযানৰ বিষয়ে অৱগত কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, ৰাজ্যসভাৰ নেতা তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, সমাজবাদী পাৰ্টীৰ নেতা ৰামগোপাল যাদৱ, তৃণমূল কংগ্ৰেছৰ নেতা সুদীপ বন্দোপাধ্যায়, ডি এম কে নেতা টি আৰ বালু, এল জি পি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱান, জে ডি ইউ নেতা সঞ্জয় ঝা, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে আৰু শিৱসেনাৰ নেতা শ্ৰীকান্ত সিন্ধে বৈঠকত উপস্থিত আছে। বিভিন্ন দলৰ নেতাই দলীয় স্বাৰ্থৰ উৰ্ধলৈ গৈ সিন্দূৰ অভিযানক প্ৰশংসা কৰিছে আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনীসমূহে গ্ৰহণ কৰা ব্যৱস্থাক লৈ গৌৰৱ প্ৰকাশ কৰিছে। বিৰোধী পক্ষই ইয়াৰ পূৰ্বে পেহেলগাম আক্ৰমণৰ পাছত চৰকাৰে গ্ৰহণ কৰা যিকোনো ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

oooooo

পাকিস্তানৰ পৰা পৰিচালিত একাংশ ছ'চিয়েল মিডিয়া হেণ্ডেলৰ জৰিয়তে এটা পুৰণি ভিডিঅ' প্ৰচাৰ কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৰ তথ্য পৰীক্ষা গোটে প্ৰকাশ কৰা মতে প্ৰচাৰ কৰা ভিডিঅ'টি ২০২৪ চনৰ বনজুইৰহে। চৰকাৰে লগতে সত্যাসত্য নিৰূপন নোহোৱা কোনো তথ্য প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ আৰু চৰকাৰৰ আনুষ্ঠানিক উৎসৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ আহ্বান জনাইছে।

ooooooo

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। কাইলৈ পুৱা ফাট বিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলনেৰে বিহু পালনৰ শুভাৰম্ভ কৰিব। দিনৰভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘূলি চাপৰিলৈ আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। বিশিষ্ট কবি-সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° কৰবী ডেকা হাজৰিকাই মুখপত্ৰখন উন্মোচন কৰিব। অন্তিম দিনা অৰ্থাৎ ১১ মে'ত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

oooooo

যোৱা নিশা পাকিস্তানৰ সেনাই নিয়ন্ত্ৰণ ৰেখাত নিৰৱচ্ছিন্নভাৱে গোলাবৰ্ষণ কৰে। অৱশ্যে সেনাবাহিনীয়ে পাকিস্তানী সেনাই যুদ্ধ বিৰতি উলংঘা কৰি চলোৱা এই গোলাবৰ্ষণৰ যথাযোগ্য প্ৰত্যুত্তৰ দিয়ে। সেনাবাহিনীৰ সূত্ৰই জনোৱা অনুসৰি পাকিস্তানৰ সেনাই জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ কুপৱাৰা, বাৰামুল্লা, উৰি আৰু আখনুৰ অঞ্চলত গোলাবৰ্ষণ কৰে। গোলাবৰ্ষণত বেয়াকৈ ক্ষতিগ্ৰস্ত জম্মুৰ পুঞ্চ খণ্ডত কালি ১৩জনকৈ লোক হতাহত হয়।

উল্লেখযোগ্য যে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখা আৰু ভাৰত পাকিস্তান আন্তৰাষ্ট্ৰীয় সীমাৰ নিকটৱৰ্তী শতাধিক বাসিন্দাক সুৰক্ষাজনিত কাৰণত ইতিমধ্যে নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে।

০০০০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰটো নামকৰণৰ দাবীত ডিব্ৰুগড় প্ৰেছ ক্লাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত দেশৰ পূব প্ৰান্তত থকা এই বিমান বন্দৰটো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰলৈ উন্নীত কৰাৰ লগতে বৰেণ্য শিল্পীগৰাকীৰ নামেৰে নামকৰণৰ দাবীত প্ৰেছক্লাবে জিলাখনৰ আয়ুক্তৰ জৰিয়তে স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰধানমন্ত্ৰীৰ লগতে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী, ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড়ৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনলৈও এই পত্ৰ প্ৰেৰণ কৰা হৈছে। বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ নামেৰে বিমান বন্দৰটো নামকৰণৰ দ্বাৰা অসমৰ গৌৰৱ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা হ'ব বুলি প্ৰেছক্লাবে আশা প্ৰকাশ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ, ডেহলি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে কলকাতা নাইড ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ১৮০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত ৮টা উইকেটৰ বিনিময়ত ১৮৩ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ ডিৱাল্ড ব্ৰেভিছে সৰ্বাধিক ৫২ ৰান কৰে। শিৱম ডুবে ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰাই তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৯ ৰান কৰে। কলকাতাৰ হৈ আজিংক্য ৰাহানে সৰ্বাধিক ৪৮ ৰান কৰে।

০০০০০

**সমাপ্ত**